

## সুপ্ৰভাত

আজিৰ দিনটোতে—

- বিশ্ব ধৰিত্ৰী দিৱস
- ব্ৰাজিলত আৱিষ্কাৰ দিৱস
- ১৯৮২ত ব্ৰাজিলৰ ফুটবলাৰ কাকাৰ জন্ম
- ১৯১৬ত অভিনেত্ৰী কানন দেৱীৰ জন্ম
- ১৯৭৪ত ঔপন্যাসিক চেতন ভগতৰ জন্ম
- ১৯০৬ত এথেন্সত আৰম্ভ ইণ্টাৰকেলেটেড গেমছ

কা


স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

ছৰ □ সংখ্যা ৪৭ □ বুধবাৰ □ ৮ ব'হাগ ১৯৪৮ শক □ ১৪৩৩ ভাস্কৰাব্দ □ ২২ এপ্ৰিল ২০২৬ চন □ VOL-16 □ NO-47 □ WEDNESDAY 22 APRIL 2026 (ডিব্ৰুগড় সংস্কৰণ/DIBRUGARH EDITIO



D.H.S.K. College A.C. ... Estd. 19.. Date......... Dibrugarh, Assam


### কানৈ মহাবিদ্যালয়ৰ আতিথ্যই মোক আপ্লুত কৰিছে ঃ সঞ্চালক পমী বৰুৱা

# ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ কলেজত বিহু উদ্‌যাপন

বিশেষ বাৰ্তা, ডিব্ৰুগড়, ২১ এপ্ৰিল ঃ 'কানৈ মহাবিদ্যালয়ৰ আতিথ্যই মোক আপ্লুত কৰিছে। মহাবিদ্যালয়ৰ বাকৰিত বিহু উপভোগ কৰি সঁচাই অভিভূত হৈছোঁ। ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ উদ্যোগত, অসম কলেজ শিক্ষক সংস্থা, কানৈ মহাবিদ্যালয় গোট আৰু অসম কলেজ কৰ্মচাৰী সংস্থা, কানৈ মহাবিদ্যালয় গোটৰ সহযোগত অনুষ্ঠিত ব'হাগ বিহু উদ্‌যাপন অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি উচ্চ শিক্ষা সঞ্চালকালয়, অসমৰ সঞ্চালক পমী বৰুৱাই কালি এইদৰে কয়। মহাবিদ্যালয়ৰ মুখ্য প্ৰৱেশ দ্বাৰৰ পৰা আৰতি কৰি গায়ন-বায়ন আৰু এনচিচিৰ কেডেটে আদৰণি জনাই অনা অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি উচ্চ শিক্ষা সঞ্চালকালয়, অসমৰ উপ-সঞ্চালক সুমিত্ৰা দেৱে কয়— ডিব্ৰুগড়ৰ মহাবিদ্যালয়সমূহৰ মাজত এক বুজাব নোৱাৰ মিলাপ্ৰীতি আছে। তেওঁ অসমৰ প্ৰতিখন মাহবিদ্যালয়ে এনেধৰণৰ আদৰ্শ গ্ৰহণ কৰিব লাগে বুলি মত প্ৰকাশ কৰে। তেওঁ কানৈ মহাবিদ্যালয়ৰ আদৰণিক সঁচাকৈয়ে বিৰল বুলি মত প্ৰকাশ কৰি কয়— প্ৰতিকূল বতৰকো নেওঁচি অনুষ্ঠিত কৰা ব'হগ বিহু উদ্‌যাপনে তেওঁলোকৰ মনত চিৰদিনৰ বাবে এক মধুৰ স্মৃতি হৈ ৰ'ব। অধ্যাপক ড° মৃদুল শৰ্মাই আঁত ধৰা অনুষ্ঠানত উপস্থিত থাকি উচ্চ শিক্ষা সঞ্চালকালয়, অসমৰ বিত্তীয় উপদেষ্টা ৰাজীৱ কুমাৰ ডেকাই কয়— কানৈ মহাবিদ্যালয়ৰ নান্দনিক পৰিৱেশে মোক অতিশয় আপ্লুত কৰিছে। তেওঁ মহাবিদ্যালয়ৰ অধ্যক্ষ প্ৰমুখ্যে সকলো অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰীক এনে এটি সুন্দৰ অনুষ্ঠান আয়োজন কৰাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই আদৰণি ভাষণ প্ৰদান কৰি কয়— ৮০বছৰ গৰকা অসমৰ অন্যতম আগশাৰীৰ উচ্চ শিক্ষানুষ্ঠান কানৈ মহাবিদ্যালয়ৰ ইতিহাসত আজিৰ দিনটো এক সোণালী ইতিহাস হৈ ৰ'ব। উচ্চ শিক্ষা সঞ্চালকালয়ৰ তিনিগৰাকীকৈ উচ্চপদস্থ বিষয়াই একেলগে একেখন মঞ্চতে উপস্থিত থাকি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰাতো মহাবিদ্যালয়খনৰ বাবে অতি গৌৰৱৰ কথা। অনুষ্ঠানৰ আৰম্ভণিতে কানৈ মহাবিদ্যালয়ৰ উদ্যোগত আৰু স্পীয়েৰৰ সহযোগত কালিৰ পৰা দুদিনীয়াকৈ অনুষ্ঠিত উত্তৰ-পূব শৈক্ষিক সন্মিলনত উচ্চ শিক্ষা সঞ্চালকালয়, অসমৰ তিনিওগৰাকী জ্যেষ্ঠ বিষয়াই ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ পোন্ধৰখনৰো অধিক উচ্চমানৰ শিক্ষানুষ্ঠান, বিশ্ববিদ্যালয়ৰ প্ৰদৰ্শনী অনুষ্ঠান পৰিদৰ্শন কৰাৰ লগতে উপস্থিত ছাত্ৰ-ছাত্ৰীৰ লগত মত বিনিময় কৰে। কালি অনুষ্ঠিত ব'হাগ বিহু উদ্‌যাপন অনুষ্ঠানত পূৰ্বাশা বৰাৰ সত্ৰীয়া নৃত্য, ৰুক্মিণী দেৱী কানৈ ছাত্ৰীনিবাসৰ ছাত্ৰীসকলৰ বিহু নৃত্য, বিহু প্ৰশিক্ষক জিতেন দাসৰ নেতৃত্বত বিহু দলৰ বিহু প্ৰদৰ্শন, এন এল বি চিটি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা পৰিৱেশিত হুঁচৰিয়ে উপস্থিত সকলোকে আপ্লুত কৰে। অনুষ্ঠানত কানৈ মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ তৰফৰ পৰা তিনিওগৰাকী বিষয়াকে ফুলাম গামোচা, সম্বৰ্ধনা পত্ৰৰ লগতে উপহাৰৰ টোপোলাৰে সম্বৰ্ধনা জনোৱাৰ লগতে মহাবিদ্যালয়ৰ শিক্ষক গোট আৰু কৰ্মচাৰী গোটৰ তৰফৰ পৰাও সম্বৰ্ধনা জ্ঞাপন কৰে। অনুষ্ঠানত এনএলবিচিটি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সঞ্জীৱানন্দ বুঢ়াগোহাঁই, মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অনুপজ্যোতি ভৰালী আৰু কানৈ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জয়দেৱ গগৈৰ লগতে ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা আৰু দুই শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। অনুষ্ঠানৰ শেষত শলাগ জ্ঞাপন কৰে অধ্যাপক ড° মৃদুল শৰ্মাই।

